জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

নং ঃ ৩৪৯/২০২১

# বিশিষ্ট গ্ৰন্থ প্ৰকাশক গিৰিপদ দেৱচৌধুৰীৰ বিয়োগত মুখ্যমন্ত্ৰীৰ শোক প্ৰকাশ

**দিছপুৰ, ১৯ নৱেম্বৰ ঃ** অসমৰ গ্ৰন্থ প্ৰকাশন জগতৰ এগৰাকী অগ্ৰণী ব্যক্তি, লিখক, অসম চৰকাৰৰ সাহিত্যিক পেঞ্চনাৰ, সদৌ অসম পুথি প্ৰকাশক আৰু বিক্ৰেতা সংস্থাৰ প্ৰাক্তন সভাপতি গিৰিপদ দেৱচৌধুৰীৰ বিয়োগত গভীৰ শোক প্ৰকাশ কৰিছে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই।

আজি এক শোকবাৰ্তাত মুখ্যমন্ত্ৰী ড° শৰ্মাই কয় যে জীৱনকালত একান্ত নিষ্ঠাৰে গিৰিপদ দেৱচৌধুৰীয়ে ৰাজ্যখনৰ গ্ৰন্থ প্ৰকাশনৰ ক্ষেত্ৰলৈ যি অনৱদ্য অৰিহণা আগবঢ়াই গ'ল সেয়া ৰাজ্যবাসীয়ে শ্ৰদ্ধাৰে স্মৰণ কৰিব। তেখেতে বহুসংখ্যক মূল্যৱান গ্ৰন্থ প্ৰকাশ কৰি বৌদ্ধিক আন্দোলনৰ সূচনাৰ দিশত বিশেষ বৰঙণি যোগাই গৈছে। এইগৰাকী বিশিষ্ট গ্ৰন্থ প্ৰকাশকৰ বিয়োগ ৰাজ্যখনৰ বৌদ্ধিক ক্ষেত্ৰখনৰ বাবে অপূৰণীয় ক্ষতি বুলিও মুখ্যমন্ত্ৰীয়ে কয়।

মুখ্যমন্ত্ৰীয়ে প্ৰয়াত গিৰিপদ দেৱচৌধুৰীৰ বিদেহ আত্মাৰ চিৰশান্তি কামনা কৰাৰ লগতে শোকসন্তপ্ত পৰিয়ালবৰ্গলৈ গভীৰ সমবেদনা জ্ঞাপন কৰে।

**বঃভাঃ / নিঃকুঃদাঃ**
**১৯-১১-২০২১**